# নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়

## কলিয়াবৰ মহাবিদ্যালয়

ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন : ২০২৬-২৭

বিজ্ঞপ্তি নং: ১

তাৰিখ: ০৩/০৯/২০২৬

# জাননী

ইয়াৰ দ্বাৰা কলিয়াবৰ মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী তথা সংশ্লিষ্ট সকলো পক্ষকে জনোৱা হয় যে, মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২৬-২৭ বৰ্ষৰ সাধাৰণ নিৰ্বাচন মহাবিদ্যালয়ৰ অধ্যক্ষৰ ঘোষণা মৰ্মে অহা ইং ১৫/০৯/২০২৬ তাৰিখ বৃহস্পতিবাৰে অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে । পৰৱৰ্তী সময়ত নিৰ্বাচন সম্পৰ্কীয় সকলো জাননী বিজ্ঞপ্তি বিশেষ নিৰ্বাচনী জাননী ফলকত প্ৰকাশ কৰা হ'ব ।

3/9/2026

নিৰ্বাচনী বিষয়া

নিৰ্বাচনী বিষয়া
কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন

Scanned with OKEN Scanner

# নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়

## কলিয়াবৰ মহাবিদ্যালয়

ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন : ২০২৬-২৭

বিজ্ঞপ্তি নং: ২

তাৰিখ: ০৩/০৯/২০২৬

## বিজ্ঞপ্তি

ইয়াৰ দ্বাৰা কলিয়াবৰ মহাবিদ্যালয়ৰ সংশ্লিষ্ট সকলো পক্ষকে কলিয়াবৰ মহাবিদ্যালয়ৰ ২০২৬-২৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন সম্পৰ্কে নিম্নোক্ত বিষয় সমূহ জনোৱা হ'ল -

১) নিৰ্বাচনৰ তাৰিখ: ১৫/০৯/২০২৬

২) নিৰ্বাচনৰ জৰিয়তে পূৰণ কৰিবলগীয়া পদসমূহ-

১) সভাপতি
২) উপ সভাপতি
৩) সাধাৰণ সম্পাদক
৪) সহকাৰী সাধাৰণ সম্পাদক
৫) বহিঃ ক্ৰীড়া সম্পাদক
৬) আভ্যন্তৰীণ ক্ৰীড়া সম্পাদক
৭) সাংস্কৃতিক সম্পাদক
৮) উৎসৱ সম্পাদক
৯) সঙ্গীত সম্পাদক
১০) তৰ্ক সম্পাদক
১১) সমাজ সেৱা সম্পাদক
১২) আলোচনী সম্পাদক
১৩) সাহিত্য আৰু কলা সম্পাদক
১৪) ছাত্ৰ জিৰণী কোঠা সম্পাদক
১৫) ছাত্ৰী জিৰণী কোঠা সম্পাদিকা

3/9/2026

নিৰ্বাচনী বিষয়া

নিৰ্বাচনী বিষয়া
কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ
একতা সভাৰ সাধাৰণ নিৰ্বাচন

Scanned with OKEN Scanner

# নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়

## কলিয়াবৰ মহাবিদ্যালয়

**ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন : ২০২৬-২৭**

বিজ্ঞপ্তি নং: ৩

তাৰিখ: ০৩/০৯/২০২৬

# বিজ্ঞপ্তি

| ক্ৰমিক নং | কাৰ্যসূচী | তাৰিখ | সময় |
|---|---|---|---|
| ১ | নিৰ্বাচনী জাননী | ইং ০৩/০৯/২০২৬ | — |
| ২ | মনোনয়ন পত্ৰ বিতৰণ | ইং ০৫/০৯/২০২৬ ৰ পৰা ইং ০৯/০৯/২০২৬ লৈ | পুৱা ১০.৩০ বজাৰ পৰা ৪ বজালৈ |
| ৩ | মনোনয়ন পত্ৰ গ্ৰহণ | ইং ০৫/০৯/২০২৬ ৰ পৰা ইং ০৯/০৯/২০২৬ লৈ | পুৱা ১০.৩০ বজাৰ পৰা ৪.৩০ বজালৈ |
| ৪ | ছাত্ৰ-ছাত্ৰীৰ বাবে নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰশিক্ষণ | ০৩/০৯/২০২৬ - ১৪/০৯/২০২৬ | — |
| ৫ | মনোনয়ন পত্ৰ পৰীক্ষা | ইং ১০/০৯/২০২৬ | দিনৰ ১০.০০ বজাৰ পৰা |
| ৬ | প্ৰাৰ্থীৰ প্ৰাৰম্ভিক তালিকা প্ৰকাশ | ইং ১০/০৯/২০২৬ | দিনৰ ১.৩০ বজাত |
| ৭ | মনোনয়ন পত্ৰ প্ৰত্যাহাৰ | ইং ১১/০৯/২০২৬ | দিনৰ ১.৩০ বজাৰ পৰা ৪.০০ বজালৈ |
| ৮ | চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ | ইং ১১/০৯/২০২৬ | দিনৰ ৪.০০ বজাত |
| ৯ | নিৰ্বাচনী প্ৰচাৰ সভা | ১৪/০৯/২০২৬ | দিনৰ ১০.০০ বজাত |
| ১০ | পুলিং বিষয়াসকলৰ প্ৰশিক্ষণ | ১৪/০৯/২০২৬ | দিনৰ ২.০০ বজাত |
| ১১ | নিৰ্বাচনৰ তাৰিখ | ইং ১৫/০৯/২০২৬ | পুৱা ৯ বজাৰ পৰা ৩ বজালৈ |
| ১২ | ফলাফল ঘোষণা | ইং ১৫/০৯/২০২৬ | বিয়লি ৪ বজাত |

নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰচাৰিত এই বিজ্ঞপ্তিৰ ঘোষনা পৰবৰ্তী বিজ্ঞপ্তিৰ দ্বাৰা নাকচ নকৰা পৰ্যন্ত বাহাল থাকিব ।

3/9/2026

নিৰ্বাচনী বিষয়া

নিৰ্বাচনী বিষয়া
কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন

Scanned with OKEN Scanner

# নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়

## কলিয়াবৰ মহাবিদ্যালয়

ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন : ২০২৬-২৭

বিজ্ঞপ্তি নং: ৪

তাৰিখ: ০৩/০৯/২০২৬

## বিজ্ঞপ্তি

মনোনয়ন পত্ৰ বিতৰণ সম্পৰ্কত নিম্নোক্ত নিৰ্দেশনা জাৰি কৰা হ'ল-

১) মনোনয়ন পত্ৰৰ মূল্য প্ৰতিখনে ৫০.০০ (পঞ্চাশ টকা) ।

২) এগৰাকী প্ৰাৰ্থীয়ে ইচ্ছানুসাৰে মনোনয়ন পত্ৰ ল'ব পাৰিব ।

৩) মনোনয়ন পত্ৰ নিয়াৰ সময়ত প্ৰাৰ্থীয়ে মহাবিদ্যালয়ৰ পৰিচয় পত্ৰ প্ৰদৰ্শন কৰিব লাগিব ।

৪) প্ৰাৰ্থীয়ে নিজৰ নামত সংগ্ৰহ কৰা মনোনয়ন পত্ৰ আনলৈ হস্তান্তৰ কৰিব নোৱাৰিব ।

৫) মনোনয়ন পত্ৰ প্ৰাৰ্থীয়ে নিয়াৰ পিছত ঘূৰাই লোৱা নহ'ব ।

নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰচাৰিত এই বিজ্ঞপ্তিৰ ঘোষণা পৰৱৰ্তী বিজ্ঞপ্তিৰ দ্বাৰা নাকচ নকৰা পৰ্য্যন্ত বাহাল থাকিব ।

3/9/2026

নিৰ্বাচনী বিষয়া

নিৰ্বাচনী বিষয়া
কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন

Scanned with OKEN Scanner

# নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়

## কলিয়াবৰ মহাবিদ্যালয়

**ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন : ২০২৬-২৭**

বিজ্ঞপ্তি নং: ৫

তাৰিখ: ০৩/০৯/২০২৬

## বিজ্ঞপ্তি

কলিয়াবৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰন নিৰ্বাচন ২০২৬-২৭ সম্পৰ্কত নিম্নোক্ত নিয়মাৱলী সমূহ ছাত্ৰ-ছাত্ৰীৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰা হ'ল –

১) মনোনয়ন পত্ৰ জমা দিয়াৰ সময়ত আগতে পূৰ কৰা মনোনয়ন পত্ৰত নিৰ্বাচনী বিষয়াৰ সন্মুখত প্ৰাৰ্থী, প্ৰাৰ্থীৰ প্ৰস্তাৱক আৰু সমৰ্থকে স্বাক্ষৰ কৰিব লাগিব । স্বাক্ষৰ কৰাৰ সময়ত প্ৰাৰ্থী, প্ৰাৰ্থীৰ প্ৰস্তাৱক আৰু সমৰ্থকে মহাবিদ্যালয়ৰ পৰিচয় পত্ৰ নিৰ্বাচনী বিষয়াক আগত প্ৰদৰ্শন কৰিব লাগিব ।

২) মনোনয়ন পত্ৰ জমা দিয়াৰ সময়ত প্ৰতিজন প্ৰাৰ্থীয়ে প্ৰাৰ্থীত্ব মাচুল ৬০০.০০ (ছয়শ টকা) আৰু আমানতৰ ধন ৪০০.০০ (চাৰিশ টকা) জমা দিব লাগিব ।

৩) এগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিলৰ বাবে নিৰ্ধাৰিত মাচুল নিৰ্বাচনী বিষয়াক জমা দি সৰ্বোচ্চ ৩ (তিনি) খন মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব ।

৪) সংবিধানৰ ব্যৱস্থা অনুযায়ী আমানতৰ ধন ঘুৰাই দিয়া বা বাজেয়াপ্ত কৰাৰ ব্যৱস্থা গ্ৰহন কৰা হব ।

নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰচাৰিত এই বিজ্ঞপ্তিৰ ঘোষণা পৰৱৰ্তী বিজ্ঞপ্তিৰ দ্বাৰা নাকচ নকৰা পৰ্য্যন্ত বাহাল থাকিব ।

3/9/2026

নিৰ্বাচনী বিষয়া

নিৰ্বাচনী বিষয়া
কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ

Scanned with OKEN Scanner

# নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়

## কলিয়াবৰ মহাবিদ্যালয়

ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন : ২০২৬-২৭

বিজ্ঞপ্তি নং: ৬

তাৰিখ: ০৩/০৯/২০২৬

## বিজ্ঞপ্তি

সভাপতি পদৰ বাবে স্নাতক ৫ম ষাণ্মাসিক আৰু স্নাতকোত্তৰ প্ৰথম আৰু তৃতীয় ষান্মাসিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়েহে প্ৰাৰ্থীত্ব আগবঢ়াব পাৰিব আৰু অন্য পদসমূহৰ বাবে স্নাতক ১ম আৰু ৩য় আৰু স্নাতকোত্তৰ ১ম ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰীয়েহে প্ৰাৰ্থীত্ব আগবঢ়াব পাৰিব ।

মহাবিদ্যালয়ৰ ছাত্ৰকালত নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা কোনো প্ৰাৰ্থীয়ে পুনৰ প্ৰাৰ্থিত্ব আগবঢ়াব নোৱাৰিব।

3/9/2026

নিৰ্বাচনী বিষয়া

নিৰ্বাচনী বিষয়া
কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ
একতা সভাৰ সাধাৰণ নিৰ্বাচন

# নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়

## কলিয়াবৰ মহাবিদ্যালয়

**ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন : ২০২৬-২৭**

বিজ্ঞপ্তি নং: ৭

তাৰিখ: ০৩/০৯/২০২৬

## বিজ্ঞপ্তি

ইয়াৰ দ্বাৰা কলিয়াবৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন ২০২৬-২৭ বৰ্ষৰ লগত জড়িত সকলো পক্ষৰে জ্ঞাতাৰ্থে তলত দিয়া বিষয় সমূহ উল্লেখ কৰা হল

১) প্ৰাৰ্থীৰ বয়স সকলোৰে বাবে নিম্ন সীমা ১৭ বছৰ আৰু উচ্চ সীমা স্নাতক শ্ৰেণীৰ বাবে ২২ বছৰ আৰু স্নাতকোত্তৰ শ্ৰেণীৰ বাবে ২৫ বছৰৰ (দিন নং ০৩/০৯/২০২৬ ক ভিত্তি হিচাপে লৈ) ভিতৰত হব লাগিব ।

২) কোনো প্ৰাৰ্থীয়ে ৫০০০.০০ (পাচঁ হাজাৰ) টকাৰ বেছি নিৰ্বাচনী ব্যয় কৰিব নোৱাৰিব ।

৩) প্ৰতিদ্বন্দিতা আগবঢ়াব বিচৰা প্ৰাৰ্থীৰ শ্ৰেণীত নিয়মীয়া উপস্থিতি বাধ্যতামূলক । এই সম্পৰ্কত গুৰুবিষয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিভাগীয় মূৰব্বী আৰু সাধাৰণ বিষয়ৰ ছাত্ৰ-ছাত্ৰীয়ে উপাধ্যক্ষৰ পৰা প্ৰমাণ পত্ৰ লৈ মনোনয়ন পত্ৰৰ লগত গাঠি দিব লাগিব ।

৪) প্ৰতিদ্বন্দিতা আগবঢ়াব বিচৰা প্ৰাৰ্থীৰ কোনো ষাণ্মাসিকৰ কোনো বিষয়ত বেক (Arrear) থাকিব নালাগিব । এই সম্পৰ্কে বিভাগীয় মুৰব্বী অধ্যাপক / উপাধ্যক্ষৰ পৰা প্ৰমাণ পত্ৰ লৈ মনোনয়ন পত্ৰৰ লগত গাঠি দিব লাগিব ।

৫) প্ৰাৰ্থীসকলে ছপা বেনাৰ, পোষ্টাৰ (ছপা) বা লিফলেটৰ সহায়ত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব । কেৱল নিৰ্বাচনী বিষয়াৰ দ্বাৰা স্বাক্ষৰিত (প্ৰত্যায়িত) হাতে লিখা বেনাৰ বা পোষ্টাৰ আদিহে ব্যৱহাৰ কৰিব পাৰিব ।

নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ পৰা প্ৰচাৰিত এই বিজ্ঞপ্তিৰ ঘোষণা পৰবৰ্তী বিজ্ঞপ্তিৰ দ্বাৰা নাকচ নকৰা পৰ্যন্ত বাহাল থাকিব ।

3/9/2026.

নিৰ্বাচনী বিষয়া

নিৰ্বাচনী বিষয়া
কলিয়াবৰ মহাবিদ্যালয় ছাত্ৰ
একতা সভাৰ সাধাৰণ নিৰ্বাচন

Scanned with OKEN Scanner